Total No. of Printed Pages—3

**5 SEM TDC ASMH (CBCS) C 12**

**2021**

( Held in January/February, 2022 )

ASSAMESE

( Core )

Paper : C–12

**( অসমীয়া ভাষাৰ ভাষাবৈজ্ঞানিক অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) বাগিন্দ্ৰিয় কাক বোলে? বাগিন্দ্ৰিয়ৰ এটা চিত্ৰ অঙ্কন কৰি ইয়াৰ অন্তৰ্গত অংগসমূহৰ চমু পৰিচয় দাঙি ধৰাঁ। ৩+৯=১২

অথবা

(খ) চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৪×৩=১২

(১) উপধ্বনি

(২) সমীভৱন

(৩) স্বৰভক্তি

(৪) অপিনিহিতি

২। (ক) অসমীয়া ভাষাৰ স্বৰবৰ্ণৰ এখন তালিকা প্ৰস্তুত কৰি প্ৰতিটো বৰ্ণৰ মধ্য অৱস্থানত বিৰোধ বিচাৰ কৰি দেখুওৱা। লগতে এই স্বৰবৰ্ণসমূহৰ প্ৰতিনিধিত্বকাৰী আখৰকেইটাও উল্লেখ কৰিবা। ৫+৫+৪=১৪

অথবা

(খ) (১) সন্ধি কাক বোলে? অসমীয়া সন্ধি সম্পৰ্কে চমুকৈ লিখা। ২+৫=৭

(২) অসমীয়া ভাষাত দুটা স্বৰৰ সংযুতিৰ বিষয়ে উদাহৰণৰ সৈতে বুজাই লিখা। ৭

৩। (ক) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি কাক বোলে? আকৃতিৰ পৰা প্ৰাকৃতি কেনেদৰে নিৰ্ণয় কৰিবা, অসমীয়া ভাষাৰ পৰা উদাহৰণ দাঙি ধৰি বুজাই লিখা। ৬+৮=১৪

অথবা

(খ) তলৰ যি কোনো দুটাৰ বিষয়ে আলোচনা কৰা : ৭×২=১৪

(১) ৰূপতত্ত্ব আৰু ইয়াৰ পৰিসৰ

(২) আকৃতিৰ পৰা প্ৰাকৃতি নিৰ্ণয় কৰাৰ প্ৰক্ৰিয়া

(৩) প্ৰাকৃতিৰ বিভিন্ন প্ৰকাৰ

৪। (ক) অসমীয়া ভাষাৰ শব্দগঠনৰ সকলো দিশ খৰচি মাৰি এটি আলোচনা আগবঢ়োৱা। ১৪

অথবা

(খ) অসমীয়া ভাষাৰ লিঙ্গ আৰু বচন নিৰ্ণয় সম্পৰ্কে একোটিকৈ আলচ যুগুত কৰা। ৭+৭=১৪





৫। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? অসমীয়া ভাষাৰ বাক্যগঠন সম্পৰ্কে বিতংভাৱে এটি আলোচনা যুগুত কৰা। ৩+১২=১৫

অথবা

(খ) চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(১) গঠন অনুসৰি বাক্যৰ প্ৰকাৰ

(২) বাক্যৰ উদ্দেশ্য আৰু বিধেয়

(৩) বাক্যৰ ৰূপগত যোগ্যতা

(৪) খণ্ডবাক্য গঠনৰ নিয়ম

৬। যি কোনো তিনিটা বিশিষ্ট ধ্বনিৰ ধ্বনিগুণ উল্লেখ কৰা : ১×৩=৩

ক, গ, ঙ, প, ভ, ত।

৭। চমু উত্তৰ দিয়া : ১×৮=৮

(ক) 'অসমীয়া বৰ্ণ প্ৰকাশ' গ্ৰন্থখনৰ লেখক কোন?

(খ) অসমীয়া ভাষাৰ বিশিষ্ট উষ্মধ্বনি কেইটা আৰু কি কি?

(গ) উচ্চাৰণকৰণ বুলিলে বাগিন্দ্ৰিয়ৰ কোনকেইটা অংগক বুজায়?

(ঘ) 'খুবুনী' আৰু 'খাবন'—শব্দ দুটাৰ ৰূপটো ভাঙি দেখুওৱা।

(ঙ) "যেতিয়া মই ফুৰিবলৈ গৈছিলোঁ তেতিয়া বেলি লহিয়ালে"—এই জটিল বাক্যটো সৰল বাক্যলৈ ৰূপান্তৰ কৰা।

(চ) অসমীয়া ভাষাৰ কণ্ঠ্যধ্বনিটো কি?

(ছ) 'স্বৰসংগতি'ৰ এটা উদাহৰণ দিয়া।

(জ) ভক্তি > ভকতি—ইয়াত ধ্বনি পৰিৱৰ্তনৰ কোনটো নিয়ম ৰক্ষিত হৈছে?

***